# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::   :::::::   ::::::::   ::::::::***

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত ২০ ঘণ্টাৰো কম সময় বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তুংগত উঠিছে। আজি প্ৰতিটো সমষ্টিৰ অন্তৰ্গত অঞ্চলসমূহত কেইবাগৰাকী মন্ত্ৰী তথা বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাই প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিহালী সমষ্টিত দিগন্ত ঘাটোৱালৰ হৈ প্ৰচাৰ চলায়। আজি বঙাইগাওঁৰ বিজেপি কাৰ্যালয়ত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এখন সংবাদ মেল সম্বোধন কৰি মিত্ৰজোটৰ প্ৰাৰ্থীগৰাকী জয়ী হব বুলি আশা প্ৰকাশ কৰে। ইপিনে, বঙাইগাওঁ চহৰৰ বৰপাৰা ৰাজহুৱা খেলপথাৰত কংগ্ৰেছ দলে আয়োজন কৰা প্ৰচাৰ সভাত দলৰ নেত্ৰী মীৰা বৰঠাকুৰে প্ৰচাৰ চলায়। এই অনুস্থানত সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহানে অংশগ্ৰহণ কৰে।

কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ এটা পদযাত্ৰাত অংশ লয়। ইপিনে, বিহালীত আম আদমী পাৰ্টীয়ে সমষ্টিটোৰ প্ৰাৰ্থী অনন্ত গগৈৰ নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে আজি গেৰাণ্টি কাৰ্ড মুকলি কৰে।

চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত কালি সংঘটিত ৰাজনৈতিক হিংসাৰ ঘটনা সন্দৰ্ভত আজি বিজেপিয়ে কংগ্ৰেছ দলৰ বিৰুদ্ধে অভিযোগ তুলি নগাঁৰৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰত স্মাৰক-পত্ৰ দাখিল কৰিছে। উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

০০০

কল্যাণকামী ৰাষ্ট্ৰ এখন গঢ়ি তোলাৰ ক্ষেত্ৰত অসামৰিক সেৱাই চৰকাৰ আৰু জনসাধাৰণৰ মাজত এখন শক্তিশালী আৰু অত্যন্ত প্ৰয়োজনীয় সেতু হিচাপে কাম কৰে বুলি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই মন্তব্য কৰিছে। ৰাজ্যপালৰ প্ৰতিভা উদগণি আঁচনিৰ অধীনত অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবে সাজু হোৱা বাচনিপ্ৰাপ্ত পৰীক্ষাৰ্থীসকলৰ বাবে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত অংশ লৈ ৰাজ্যপালগৰাকীয়ে আজি এইদৰে কয়। নিজৰ ভাষণত ৰাজ্যপালগৰাকীয়ে যুৱক-যুৱতীসকলক দেশৰ প্ৰতি দায়িত্ব পালনৰ বাবে আহ্বান জনায়। তেওঁ এই্ আঁচনিয়ে যুৱ প্ৰজন্মৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত অভিলাসীসকলক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে

প্ৰয়োজনীয় দিহা-পৰামৰ্শও আগবঢ়োৱা হ'ব। এই পদক্ষেপে ৰাজ্যৰ যুৱক-যুৱতীসকলক অসামৰিক সেৱাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তোলাৰ লগতে দায়বদ্ধতা তথা সততাৰে নিষ্ঠাবান চৰকাৰী বিষয়া হিচাপে গঢ়ি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০

শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। সত্ৰীয়া সংস্কৃতিৰ পীঠ স্থান মাজুলীৰ সত্ৰসমূহৰ লগতে উজনি অসমৰ বিভিন্ন জিলা আৰু নামনি অসমৰ ঠায়ে ঠায়ে ৰাস উৎসৱক কেন্দ্ৰ কৰি উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে।

গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত ৰাস সমিতিসমূহৰ উদ্যোগত ৰাসৰ আখৰাকে ধৰি অন্যান্য প্ৰস্তুতি চলি আছে। মহানগৰীৰ ওদালবাক্ৰাত জনজাতীয় যুৱ কল্যাণ পৰিষদৰ উদ্যোগত আয়োজন কৰা ৰাস মহোৎসৱত ১৫০টা মৃণ্ময় মূৰ্তিৰে শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ পালন কৰা হ'ব। শৰৎ কালৰ পূৰ্ণিমাৰ মনোৰম পৰিবেশত পালন কৰা এই ৰাসলীলা প্ৰস্তুতি উপলক্ষে মাজুলীৰ সত্ৰসমূহত উখল মাখল পৰিবেশে বিৰাজ কৰিছে। প্ৰতিবছৰে মাজুলীৰ ৰাস মহোৎসৱ উপভোগ কৰিবলৈ দেশ বিদেশৰ বহু লোক আহি নদীদ্বীপটোত উপস্থিত হয়। এইবাৰ সত্ৰসমূহৰ লগতে স্থায়ী অস্থায়ী ভিত্তিত মুঠ ৬৫ খন ৰাস মহোৎসৱ জিলাখনত উদ্‌যাপন কৰা হব। ১৪ ৰ পৰা ১৮ নৱেম্বৰলৈ হ'বলগীয়া এই উৎসৱৰ মঞ্চসমূহত শিশু ৰাস, মিছিং ভাষাৰ ৰাসৰ লগতে ৪ খন ৰংগমঞ্চত সম্পূৰ্ণৰূপে মহিলা শিল্পীসকলৰ দ্বাৰা ৰাসলীলা পৰিবেশন কৰা হ'ব।

উজনি অসমৰ লখিমপুৰকে ধৰি আন কেইবাখনো ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰা চলি থকাৰ লগতে অন্যান্য প্ৰস্তুতি অব্যাহত আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনা কৰাৰ লগতে মৃণ্ময় মূৰ্তিৰ সহায়ত ৰাসলীলা পৰিবেশন কৰা হয়। বৰ্তমান সময়ত আটকধুনীয়া আলোকসজ্জা আৰু প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এই ৰাসলীলা উপভোগ্য কৰি তোলা হয়। হাউলীৰ ৰাস মহোৎসৱৰ সৈতে সংগতি ৰাখি মুকলি কৰা মেলাসমূহেও জনসাধাৰণক আকৰ্ষিত কৰে। তদুপৰি অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীও গ্ৰহণ কৰা হ'ব।

০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি গোলাঘাট জিলাৰ বোকাখাত সমষ্টিৰ বান ক্ষতিগ্ৰস্ত এলেকাত তিনিখন পকী দলঙৰ আধাৰশিলা স্থাপন কৰে। বৰাইখোৱা, নগাবালি, বৰপাক সংযোগী পথত এখন পকী দলঙৰ আধাৰশিলা স্থাপন হোৱাৰ লগতে পৰৱৰ্তী সময়ত কেইবাখনো গাঁৱৰ সৈতে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে পোনপটীয়া সংযোগ স্থাপন হ'ব।

০০০

গোলাঘাট জিলাৰ ঐতিহাসিক চিনাতলিত অৰণ্যম ট্ৰাষ্টৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ সংখ্যক সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ আজি লাইখুঁটা স্থাপন কৰা হয়। চিনাতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শংকৰ-মাধৱ ক্ষেত্ৰত অহা ২০ ডিচেম্বৰৰ পৰা ৬ জানুৱাৰীলৈকে এই ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০

গোলাঘাট জিলাৰ বোকাখাতৰ লটাবাৰীত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হোৱাৰ লগতে অন্য এজন গুৰুতৰভাৱে আহত হয়। এখন তীব্ৰবেগী বাহনে খোজকাঢ়ি আহি থকা দুজন যুৱকক খুন্দা মৰাৰ ফলত ৰাহুল মুল্লা নামৰ লোকজনৰ থিতাতে মৃত্যু হয়।

০০০

অসম খো খো সন্থাৰ তত্বাৱধানত, তামুলপুৰ জিলা খো খো সন্থাৰ সহযোগত আৰু কছুবাৰী ক্ৰীড়া সংঘৰ উদ্যোগত যোৱা ৮ নৱেম্বৰৰ পৰা তামুলপুৰত অনুষ্ঠিত সদৌ অসম আন্তঃজিলা পুৰুষ মহিলা ছিনিয়ৰ খো খো প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। কছুবাৰী হাইস্কুল খেলপথাৰত আয়োজিত এই প্ৰতিযোগিতাৰ পুৰুষৰ শাখাত সোণাপুৰে ডিব্ৰুগড়ক ৩ পইণ্টত পৰাজিত কৰি ছেম্পিয়নৰ খিতাপ অৰ্জন কৰে। আনহাতে, মহিলাৰ শাখাত ডিব্ৰুগড়ে তামুলপুৰক ২ পইণ্টৰ ব্যৱধানত হৰুৱাই বিজয়ীৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হয়।

০০০

**ঃঃ সমাপ্ত ঃঃ**